## শেহতীয়া এফ এ কিউৰ বাবে বেংক ৱেবছাইটৰ এফ এ কিউ শাখা ৰেফাৰ কৰক

**(**https://www.rbi.org.in/Scripts/FAQView.aspx?Id=119**)**

## ৫০০ আৰু ১০০০ টকা মুদ্ৰাবৰ্গৰ বৰ্তমানৰ বেংকনোটৰ বৈধ মুদ্ৰা প্ৰত্যাহাৰ সম্পৰ্কীয় এফ এ কিউ (৮ নৱেম্বৰ,২০১৬ত জাৰি)

### ১. এই আঁচনিখন কিয়নো প্ৰৱৰ্তন কৰা হল?

উচ্চ মুদ্ৰাবৰ্গৰ জাল ভাৰতীয় পত্ৰমুদ্ৰা যোগোৱাটো বৃদ্ধি পালে। সাধাৰণ লোকৰ বাবে জাল নোটবোৰ দেখাত প্ৰকৃত নোটৰ দৰেই, যদিওবা, কোনো সুৰক্ষা বৈশিষ্ট্য নকল কৰিব পৰা নাই। জাল নোটবোৰ ৰাষ্ট্ৰবিৰোধী আৰু অবৈধ কাৰ্যকলাপৰ বাবে ব্যৱহাৰ হৈছে। উচ্চ মূল্যৰ নোটবোৰ সন্ত্ৰাসবাদীয়ে অপপ্ৰয়োগ কৰিছে আৰু কলা ধন মজুতকৰণৰ বাবেও ব্যৱহাৰ হৈছে। ভাৰত নগদ-ভিত্তিক অৰ্থব্যৱস্থা হৈ থকা হেতুকে জাল ভাৰতীয় পত্ৰমুদ্ৰাৰ প্ৰচলন উপদ্ৰৱ হৈ পৰিছে। জালনোটৰ পয়োভৰ ৰোধ আৰু কলা ধন ৰোধৰ উদ্দেশ্যে প্ৰত্যাহাৰৰ আঁচনি প্ৰৱৰ্তন কৰা হৈছে।

### ২. এই আঁচনিখননো কি?

ভাৰতীয় ৰিজাৰ্ভ বেংকে ৮ নৱেম্বৰ,২০১৬ পৰ্যন্ত জাৰি কৰা ৫০০ টকা আৰু ১০০০ টকা মুদ্ৰাবৰ্গৰ বৰ্তমানৰ বেংক নোটবোৰৰ বৈধ মুদ্ৰা বৈশিষ্ট্য প্ৰত্যাহাৰ হৈছে (ইয়াৰ পাছত নিৰ্দিষ্ট বেংক নোট হিচাপে উল্লেখ কৰা)। ইয়াৰ পৰিণামস্বৰূপে, এই বেংক নোটবোৰ ব্যৱসায়িক লেনদেনৰ বাবে আৰু অথবা ভৱিষ্যত মূল্যত ব্যৱহাৰ কৰিব নোৱাৰিব। এই বেংকনোটবোৰ সমমূল্যত ভাৰতীয় ৰিজাৰ্ভ বেংকৰ ১৯টা কাৰ্যালয়ত বা যিকোনো বেংক শাখাত বা যিকোনো মুখ্য ডাকঘৰ বা উপ-ডাকঘৰত বিনিময় কৰিব পাৰি।

### ৩. কিমান মূল্য মই পাম?

আপুনি বেংক শাখা/আৰ বি আই কাৰ্যালয়ত উপস্থাপন কৰা সমুদায় পৰিমাণৰ নোটৰ সমাৰ্থক মূল্য পাব।

### ৪. মই গোটেইখিনি নগদ পামনে?

নাপাব। আপুনি যি পৰিমাণকে উপস্থাপন নকৰক লাগে প্ৰতি ব্যক্তিয়ে ৪০০০ টকালৈকেহে পাব আৰু তাৰ ওপৰঞ্চিখিনি আপোনাৰ একাউন্টত জমাভুক্ত হব।

### ৫. মই গোটেইখিনি নগদ সমৰ্পণ কৰিলো যেতিয়া সমুদায় ৰাশি নগদ পাব নোৱাৰো কিয়?

নিৰ্দিষ্ট উদ্দেশ্য সাপেক্ষে আঁচনিখনত তেনে ব্যৱস্থা ৰখা নাই।

**৬. নগদ ৪০০০ টকা মোৰ চাহিদাৰ যথোচিত নহয়। মই কি কৰিম?**

আপোনাৰ বেংক একাউন্টত জমাভুক্ত ৰাশিক অন্য আৱশ্যকতা পূৰণৰ বাবে চেক অথবা ইন্টাৰনেট বেংকিং, মবাইল ৱালেট, আইএমপিএছ, ক্রেডিট অথবা ডেবিট কার্ড আদি ইলেকট্রনিক প্রদান মাধ্যম ব্যৱহাৰ কৰিব পাৰে।

**৭. মোৰ বেংক একাউন্ট নাথাকিলে কি কৰিম?**

আপুনি যিকোনো বেংক শাখাত যোগাযোগ কৰি কেৱাইচি আৱশ্যকতা পৰিপূৰণৰ বাবে লাগতীয়াল নথিপত্রসমূহ জমা দি নিজৰ এটা বেংক একাউন্ট খুলি লব পাৰে।

**৮. মোৰ যদি জে ডি ৱাই একাউন্ট থাকে, তেতিয়া কি হব?**

জে ডি ৱাই একাউন্ট ধাৰক এজনেও সীমা আৰু বেংকৰ ৰীতি তথা কার্যপ্রক্রিয়া সাপেক্ষে বিনিময় সুবিধাখিনি গ্রহণ কৰিব পাৰে।

**৯. নোটখিনি বিনিময় কৰাৰ বাবে মই কলৈ যাব পাৰোঁ?**

বিনিময় সুবিধাখিনি আৰ বি আইৰ সকলো ইছ্যু কার্যালয়ত আৰু বাণিজ্যিক বেংক/আৰ আৰ বি/ই চি বি/ৰাজ্যিক সমবায় বেংকৰ শাখা বা যিকোনো মুখ্য ডাকঘৰ আৰু উপ-ডাকঘৰতে পোৱা যায়।

**১০. মোৰ বেংক শাখালৈহে যাব লাগিব নেকি?**

৪০০০ টকা পর্যন্ত নগদ বিনিময়ৰ কাৰণে আপুনি বৈধ পৰিচয় প্রমাণ লৈ যিকোনো বেংক শাখালৈ যাব পাৰে।

৪০০০ টকাৰ অধিক বিনিময়ৰ কাৰণে, যিটো নেকি বেংক একাউন্টত জমাভুক্তিৰেহে কৰা হয়, আপুনি নিজৰ একাউন্ট থকা শাখাটোলৈ বা একে বেংকৰ অন্য শাখালৈকো যাব পাৰে।

আপোনাৰ একাউন্ট নৰখা অন্য বেংকৰ শাখালৈ যাব বিচাৰিলে, তাৰ পৰা আপোনাৰ একাউন্টলৈ ইলেকট্রনিক ফাণ্ড ট্রেন্সফাৰ প্রণালীৰে সবিশেষ আৰু প্রেৰণৰ বাবে নিজৰ একাউন্টৰ সবিশেষ আৰু বৈধ পৰিচয় প্রমাণ দাখিল কৰিব লাগিব।

**১১. মোৰ বেংকটোৰ যিকোনো শাখালৈ যাব পাৰিমনে?**

হয়, আপুনি নিজৰ বেংকটোৰ যিকোনো শাখালৈ যাব পাৰিব।

**১২. অন্য কোনো বেংকৰ যিকোনো শাখালৈ যাব পাৰি নেকি?**

হয়, আপুনি অন্য কোনো বেংকৰ যিকোনো শাখালৈকো যাব পাৰিব। তেতিয়া আপুনি নগদ বিনিময়ৰ কাৰণে বৈধ পৰিচয় প্রমাণ দাখিল কৰিব লাগিব; বৈধ পৰিচয় প্রমাণৰ লগতে, বিনিময় ৰাশি ৪০০০ টকাৰ অধিক হোৱাৰ ক্ষেত্রত ইলেকট্রনিক ফাণ্ড ট্রেন্সফাৰৰ বাবে বেংক একাউন্টটোৰ বিশদ তথ্যও দাখিল কৰিব লাগিব।

**১৩. মোৰ নিজা একাউন্ট নাই যদিও বন্ধু/আত্মীয়ৰ একাউন্ট আছে। সেই একাউন্টৰ পৰা মোৰ নোটখিনি বিনিময় কৰিব পাৰিমনে?**

হয়, আপুনি তাতো পাৰিব, যদিহে একাউন্ট ধাৰক বন্ধু/আত্মীয়ই লিখিত অনুমতি প্ৰদান কৰে। বিনিময় কৰোতে, একাউন্ট ধাৰকে দিয়া অনুমতিৰ প্ৰমাণ আৰু আপোনাৰ বৈধ পৰিচয় প্ৰমাণ দিব লাগিব।

**১৪. মই নিজে বেংকলৈ যাব লাগিবনে বা মোৰ প্ৰতিনিধিৰ যোগেদি নোটখিনি পঠিয়াব পাৰিম?**

ব্যক্তিগতভাৱে শাখালৈ যোৱাটো ভাল। একান্তই সম্ভৱ নহলে নিজৰ প্ৰতিনিধিকো স্পষ্ট আজ্ঞা অৰ্থাত্ লিখিত কৰ্তৃত্ব প্ৰদানেৰে পঠিয়াব পাৰে। নোটখিনি দাখিল কৰোতে প্ৰতিনিধিয়ে কৰ্তৃত্বপত্ৰ আৰু নিজৰ বৈঠ পৰিচয় প্ৰমাণ দাখিল কৰিব লাগিব।

**১৫. এ টি এমৰ পৰা উলিয়াব পাৰিমনে?**

প্ৰচলিত আৰু অনুমোদিত মুদ্ৰা বিতৰণৰ উপযোগী হোৱাকৈ এটিএমবোৰ ৰিকেলিব্ৰেট কৰিবলৈ অলপ সময় লাগিব। এটিএমবোৰ কাৰ্যক্ষম হৈ উঠিলে আপুনি ১৮ নৱেম্বৰ,২০১৬লৈকে প্ৰতি কাৰ্ডত দৈনিক সৰ্বাধিক ২০০০ টকা উলিয়াব পাৰিব। ১৯ নৱেম্বৰ,২০১৬ৰ পৰা প্ৰতি কাৰ্ডত দৈনিক সীমা ৪০০০ টকালৈ বৃদ্ধি কৰা হব।

**১৬. চেকৰ বিপৰীতে নগদ উলিয়াব পাৰিমনে?**

হয়, আপুনি চেক বা উদ্ৰৱেল শ্লিপযোগেও নগদ উলিয়াব পাৰিব, কিন্তু ২৪ নৱেম্বৰ,২০১৬ পৰ্যন্ত প্ৰতি সপ্তাহত মুঠ ২০,০০০ টকাৰ সীমাৰে (এটিএমৰ পৰা উলিওৱাখিনিকে ধৰি) দৈনিক ১০,০০০ টকালৈকেহে পাৰিব। পাছত এই সীমা পুনৰীক্ষণ হব।

**১৭. নিৰ্দিষ্ট বেংক নোটবোৰ এটিএম, কেশ্ব ডিপজিট মেচিন বা কেশ্ব ৰিচাইক্লাৰৰ যোগেদি জমা দিব পাৰিমনে?**

হয়, নিৰ্দিষ্ট বেংকনোটবোৰ কেশ্ব ডিপজিট মেচিন, কেশ্ব ৰিচাইক্লাৰযোগেও জমা দিব পাৰি।

**১৮. মই ইলেকট্ৰনিক এনইএফটি/আৰটিজিএছ/আইএমপিএছ/ইন্টাৰনেট বেংকিং/মবাইল বেংকিং আদি মাধ্যম ব্যৱহাৰ কৰিব পাৰিমনে?**

আপুনি এনইএফটি/আৰটিজিএছ/আইএমপিএছ/ইন্টাৰনেট বেংকিং বা অন্য ইলেকট্ৰনিক/নগদ বৰ্জিত প্ৰদান মাধ্যমো ব্যৱহাৰ কৰিব পাৰিব।

**১৯. নোট বিনিময় কৰিবলৈ মোৰ কিমান সময় লাগিব?**

৩০ ডিচেম্বৰ,২০১৬ত আঁচনিখন বন্ধ হব। নিৰ্দিষ্ট বেংক নোটবোৰ বাণিজ্যিক বেংক, আৰআৰবি, চহৰীয়া সমবায় বেংক, ৰাজ্যিক সমবায় বেংক আৰু আৰ বি আইৰ শাখাত ৩০ ডিচেম্বৰ,২০১৬ লৈকে বিনিময় কৰিব পাৰিব।

৩০ ডিচেম্বৰ,২০১৬ৰ ভিতৰত বা আগে নিৰ্দিষ্ট বেংক নোটবোৰ বিনিময় কৰিবলৈ সমৰ্থ নোহোৱাসকলক আৰ বি আইৰ নিৰ্ধাৰিত কাৰ্যালয়ত জমা দিবলৈ সুযোগ দিয়া হব; তেতিয়া ভাৰতীয় ৰিজাৰ্ভ বেংকে নিৰ্দ্ধাৰণ কৰি দিয়া আৱশ্যকীয় নথিভুক্তকৰণৰ প্ৰয়োজন হব।

**২০. এতিয়া মই ভাৰতত নাই, মই কি কৰিব লাগিব?**

আপোনাৰ যদি নিৰ্দিষ্ট বেংক নোটবোৰ ভাৰতত আছে, ভাৰতত থকা আন এজন ব্যক্তিক সেইবোৰ জমা দিবলৈ লিখিত কৰ্তৃত্ব দিব পাৰে। কৰ্তৃত্বপ্ৰাপ্ত ব্যক্তিগৰাকীয়ে নিৰ্দিষ্ট বেংকনোটখিনি আপুনি দিয়া কৰ্তৃত্বপত্ৰ আৰু বৈধ পৰিচয় প্ৰমাণ লৈ বেংক শাখালৈ আহিব পাৰে। (আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ আই ডি কাৰ্ড, পাৰপত্ৰ, এনৰেগা কাৰ্ড, পেন কাৰ্ড, চৰকাৰী বিভাগে জাৰি কৰা পৰিচয় পত্ৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে কৰ্মচাৰীক দিয়া পৰিচয়-পত্ৰক বৈধ পৰিচয় প্ৰমাণ হিচাপে গণ্য হয়)।

**২১. মই এজন এন আৰ আই আৰু মোৰ এন আৰ অ একাউন্ট আছে, বিনিময় মুদ্ৰাখিনি মোৰ একাউন্টত জমা হবনে?**

হয়, আপোনাৰ হাতত থকা নিৰ্দিষ্ট বেংক নোটবোৰ এন আৰ অ একাউন্টত জমা দিব পাৰে।

**২২. মই এজন বিদেশী পৰ্যটক। এনেবোৰ নোট মোৰ হাতত আছে। মই কি কৰিব লাগিব?**

অধিসূচনাৰ ৭২ ঘন্টাৰ ভিতৰত বিমান বন্দৰত বিনিময় কাউন্টাৰত এই নিৰ্দিষ্ট নোটবোৰৰ বিনিময়ত আপুনি ৫০০০ টকা মূল্যৰ বিদেশী মুদ্ৰা কিনি লব পাৰে, যদিহে নিৰ্দিষ্ট বেংক নোটবোৰ কিনাৰ প্ৰমাণ দাখিল কৰিব পাৰে।

**২৩. মোক জৰুৰীভাৱে (হাস্পতাল, ভ্ৰমণ, জীৱনদায়িনী ঔষধ ব্যয়) নগদ টকাৰ প্ৰয়োজন। তেনে স্থলত মই কি কৰিব লাগিব?**

আপোনাৰ হাতত থকা নিৰ্দিষ্ট নোটবোৰ অধিসূচনা জাৰিৰ ৭২ ঘন্টাৰ ভিতৰত চৰকাৰী হাস্পতালত হাস্পতাল খৰচ, চৰকাৰী আৰু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বাছেৰে ভ্ৰমণ কৰাৰ বাবে চৰকাৰী বাছ আস্থানত টিকট কিনাৰ বাবে, ৰেল ভ্ৰমণৰ বাবে ৰেল ষ্টেচনত, বিমান টিকটৰ বাবে বিমান বন্দৰত ব্যৱহাৰ কৰিব পাৰে।

**২৪. পৰিচয় প্ৰমাণনো কি?**

তলৰ যিকোনো এবিধেই বৈধ পৰিচয় প্ৰমাণ - (আধাৰ কাৰ্ড, ড্ৰাইভিং লাইচেন্স, ভোটাৰ আই ডি কাৰ্ড, পাৰপত্ৰ, এনৰেগা কাৰ্ড, পেন কাৰ্ড, চৰকাৰী বিভাগে জাৰি কৰা পৰিচয় পত্ৰ, ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে কৰ্মচাৰীক দিয়া পৰিচয়-পত্ৰ।

**২৫. আঁচনিৰ সবিশেষ তথ্য কত পাম?**

অধিক তথ্যৰ বাবে আমাৰ ৱেবছাইট আৰু জি অ আই ৱেবছাইট।

**২৬. মোৰ কিবা সমস্যা আহিলে কাৰ কাষ চাপিম?**

আপুনি আৰ বি আই কন্ট্ৰল ৰুমক ইমেইলত বা টেলিফোন নম্বৰ – ০২২ ২২৬০২২০১/০২২ ২২৬০২৯৪৪ত যোগাযোগ কৰিব পাৰে।